# অসমৰ সমাজ জীৱনলৈ ড° ভূপেন হাজৰিকাৰ অৱদান

মৃদুস্মিতা ভট্টাচাৰ্য্য
স্নাতক চতুৰ্থ ষাণ্মাসিক

জাতীয় জীৱনৰ ঐতিহ্য প্ৰীতি, শ্ৰমমুখিতা, তথা ভ্ৰাতৃত্ব বোধ ড° ভূপেন হাজৰিকাৰ সৃষ্টিৰ মূল স্পন্দন। তেওঁ জাতিক বিশ্বৰ আগত দাঙি ধৰি দেখুৱাই দিছে অসমীয়া জাতিৰ সত্বা। নিজৰ গৌৰৱময় অতীত, ঐতিহ্য, শংকৰ-আজানৰ সমাজ-ব্যৱস্থাৰ সুদৃঢ় সামাজিক ভ্ৰাতৃত্ববোধৰ কট্‌কট্‌ীয়া বান্ধোন তেওঁৰ সৃষ্টিৰ মাজেদি আৰু অধিক দৃশ্যমান হৈ বিশ্বৰ আগত জিলিকি উঠিছে। জ্যোতিপ্ৰসাদ, বিষ্ণুপ্ৰসাদৰ সোণৰ অসম জাহাজৰ কেপ্তেইন আছিল তেওঁ। অসমীয়া জাতিৰ চালিকা-শক্তি তেওঁ। তেওঁৰ হৃদস্পন্দনত বাজি আছিল স্বাধিকাৰ সচেতনতা অহৰহ। ধমনীয়ে ধমনীয়ে প্ৰবাহিত হৈছিল সৃষ্টিৰ ৰক্ত। প্ৰতি টোপাল ৰক্তৰ লাখ লাখ কণাত মিহলি হৈ আছিল অসমীয়াক দিক্ নিৰ্ণয় কৰা সুৰ আৰু কথা, সৃষ্টি। সৰু কালতে দুচকুত উদ্‌ভাসিত হৈ উঠিছিল এই মহান ব্যক্তিৰ আনৰ বাবে কাম কৰাৰ উৎসাহ।

উত্তৰ-পূৱ ভাৰতেই নহয়, সমগ্ৰ বিশ্বৰ অসংখ্য জাতি-উপজাতিৰ বাৰে-ৰহনীয়া সাংস্কৃতিক পথাৰৰ পৰা এটি দুটি সুৰ বুটলি কোঁচত ভৰাই সমৃদ্ধ কৰিছে অসমীয়াৰ সাংস্কৃতিক বৰপথাৰ। ক'ত আলোকিত হৈ উঠা নাছিল তেওঁ গান, নাটক, চলচিত্ৰ, কবিতা নে জীৱনৰ বাবে কোৱা সেই কথাবোৰ? যিবোৰ কথা শুনিবলৈ গাওঁৰ আশী-এশ বছৰীয়া বৃদ্ধাও গীতৰ সভালৈ আহিছিল। কি আছিল তেওঁৰ সৃষ্টিত, ব্যক্তিত্বত? কিয় মুগ্ধ কৰি ৰাখিছে তেওঁৰ গানে আবাল-বৃদ্ধাবণিতাক? এই কথাবোৰৰ উত্তৰ নিশ্চয় তেওঁৰ গীততেই বিৰাজমান।

অসমীয়া জাতীয় জীৱনলৈ তেওঁৰ অৱদানক এতিয়াও মূল্যায়ন কৰিব পৰা হোৱা নাই। তেওঁৰ অজস্ৰ সৃষ্টি গীতৰ মূল্যায়নএতিয়াও হ'বলৈ বাকী আছে। প্ৰতিটো গীতৰ নিজা নিজা মূল্যায়ন কৰিব পাৰিলে অসমীয়া সমাজ আৰু এখোজ আগুৱাই যাব পাৰিব।

তেওঁৰ সমাজ জীৱনলৈ প্ৰচুৰ অৱদান স্বীকাৰ কৰিবই লাগিব। ১৯৬০-৬১ চনত ভাষা আন্দোলনৰ সময়ত তেওঁ লিখিছিল- "মানুহে মানুহৰ বাবে...।" মানৱতাৰ জয়গান গোৱা ড° ভূপেন হাজৰিকাই সেয়েহে গাইছিল- "জিলিকাব লুইতৰে পাৰ।"

লুণ্ঠিত বঞ্চিত জনৰ যন্ত্ৰণাৰ বাবে তেওঁ চিৎকাৰ কৰি উঠিছিল-

হে দোলা, হে দোলা, হে দোলা, হে দোলা
একা বেঁকা বাটেৰে কঢ়িয়াওঁ কঢ়িয়াওঁ
বৰ বৰ মানুহৰ দোলা...।

তেওঁ বিভিন্ন সময়ত বিভিন্ন ঠাইত লুইতখনক আপোন কৰি লৈছে। কিন্তু নৈতিকতাৰ স্খলন, কৰ্মবিমুখিতা, ব্যক্তিকেন্দ্ৰিক আৰু সমাজখনক সংস্কাৰ নকৰাৰ বাবে ক্ষোভ প্ৰকাশ কৰিছে-

তুমিয়ে যদি ব্ৰহ্মাৰে পুত্ৰ
সেই পিতৃত্ব তেনে নাম মাত্ৰ
নহ'লে প্ৰেৰণা নিদিয়া কিয়?

ইয়াৰ পৰিৱৰ্তে তেওঁ অসমীয়া সমাজখনক এইবোৰ দিশত চকু দিবলৈ আহ্বান জনাইছে।

ড° ভূপেন হাজৰিকাৰ সংগীত অসমীয়া জাতিটোৰ বাবে ফাগুনৰ পচোৱা আৰু ব'হাগৰ কপৌফুলৰ দৰে ধ্ৰুৱ সত্য। ভ্ৰাতৃত্ববোধ তথা সংস্কাৰৰ বীজ তেওঁৰ গীতৰ পাতে-পাতে। তেওঁ অসমীয়া গীতৰ ভঁড়াল চহকী কৰাৰ লগতে বৰগীতকো তেওঁ সুন্দৰ কণ্ঠেৰে সুৱদি সুৰিয়াকৈ গাই বৰগীতক অধিক আকৰ্ষণীয় কৰিছে।

অসমীয়া সাহিত্যৰ ভঁড়ালো তেওঁ চহকী কৰিছে। তেওঁ এজন উচ্চমানৰ সাংবাদিক আছিল। 'বিন্দু' আৰু 'গতি' তেওঁ সম্পাদনা কৰিছিল। তেওঁ সেই সময়ত বহুতো নবীন লেখকক উৎসাহিত কৰিছিল।

তেওঁৰ ৰাজনৈতিক ক্ষেত্ৰখনটো দখল আছিল। তেওঁৰ ৰাজনৈতিক জনপ্রিয়তাৰ ওচৰত হেম বৰুৱাও পৰাজিত হৈছিল।

প্ৰকৃততে তেওঁ আছিল মানৱতাবাদী। বাংলাদেশৰ যুদ্ধৰ সময়ত বিভিন্ন গীত-মাতেৰে তেওঁ বাংলাদেশ গঠনৰ পোষকতা কৰিছিল। ভূপেন হাজৰিকাৰ যাত্ৰা বিশ্বাভিমুখী। সেয়ে তেওঁ এহাতে নিজৰ সহোদৰ ভাই অসমীয়াক সকীয়াই দিছে—

... পৃথিৱীত জনমী সচেতন নহ'লে
প্ৰাপ্যও থিতাতে হেৰাব...

আৰু আনহাতে ভাৰতীয় হৈ বিশ্ব ভাতৃত্বৰ মন্ত্ৰ সিঁচিছে...

"... তুমি বিশ্বৰ শৰীৰত পংগু অংগ হ'লে
বিশ্বই জানো ভাল পাব।"

ইয়াতে তেওঁ প্ৰতিটো পৃথিৱীৰ অংগকে (অসমকো) সুস্থিৰভাবে থকাৰ কথা কৈছে।

"বুকু হম হম কৰে'- এগৰাকী মাতৃৰ প্ৰতি থকা এজন পুত্ৰৰ মৰম এনাজৰী প্ৰতিফলিত হয় উপৰোক্ত গীতটোত।১৯৬২ চনত চীনৰ আক্ৰমণৰ সময়ত বিহুল হৈ তেওঁ গাইছিল—

'কত জোৱানৰ মৃত্যু হ'ল...।।'

অসমী মাতৃৰ ঋণ সুজিবলৈ তেওঁ নিজকে নিস্ব অনুভৱ কৰিছিল। সেয়ে হয়তো কেতিয়াবা তেওঁ গাইছিল—

'আই তোক কিহেৰে পূজিমে...'

অসম আন্দোলনৰ সময়ত দুৰ্বল হৈ পৰা অসমীয়াসকলক তেওঁ শ্লেষোক্তি কৰিছিল—

'আমি অসমীয়া নহওঁ দুখীয়া
বুলি সান্ত্বনা লভিলে নহ'ব...।'

ভ্ৰাম্যমান থিয়েটাৰলৈও তেওঁৰ অৱদান অতুলনীয় আছিল। পাহাৰে-পৰ্বতে, অলিয়ে-গলিয়ে, নদীয়ে-সাগৰে ঘূৰি ফুৰা ভূপেন হাজৰিকাই দুচকুত দেখিছিল কেৱল সৃষ্টিৰ সপোন আৰু অসমীয়াক কেনেকৈ সেই সপোনৰে এটা অংশত পৰিণত কৰিব পাৰি তাৰ চিন্তা। তাৰ লগে লগে তেওঁ এজন বিশ্ব শিল্পীওঁ। সমগ্ৰ মানৱ জাতিৰ তেওঁ মুক্তি বিচাৰে। কেতিয়াও ভাগৰি নপৰা লুইতপৰীয়া এই ব্যক্তিজনে গাইছিল—

"সাগৰ সংগমত
কতনা সাঁতুৰিলো
তথাপিও হোৱা নাই ক্লান্ত।"

কেতিয়াওঁ ভাগৰি নপৰা মানুহজনে অসমীয়াক সোঁৱৰাই দিছিল কৰ্মৰ কথা। কৰ্ম কৰি কৰি ভাগৰ নালাগে। মানৱতাৰ মহান নিদৰ্শন ভূপেন হাজৰিকাৰ এটা অনুষ্ঠান। তেওঁৰ স্মৃতিত মামনি ৰয়ছম গোস্বামীয়ে লিখিছিল-

'ভূপেনদা তোমাৰ কণ্ঠ বাদদি মই মোৰ জন্মভূমিৰ
নক্সা আঁকিব নোৱাৰো'

ড° অমৰজ্যোতি চৌধুৰীয়ে কৈছে—

'এটা গান শেষ হ'ল
যি গানলৈ ৰৈ থাকে
সমগ্ৰ জাতি সেই গান শেষ হ'ল।'

এই মহান অসমীয়াজনক লৈ আমি অসমীয়া মহাজাতিয়ে গৌৰৱ অনুভৱ কৰোঁ। কাৰণ ভূপেনদা অমৰ। বিশ্বদৰবাৰত তেখেতে অসমীয়া জাতিটোৰ হৈ প্ৰতিনিধিত্ব কৰিছিল। তেখেতৰ অৱদান কোনো অসমীয়াই পাহৰিব নোৱাৰে।

মুঠতে সাংস্কৃতিক ক্ষেত্ৰতে নহয় ৰাজনৈতিক, সামাজিক, নৈতিক, আধ্যাত্মিক সকলো দিশতে তেওঁৰ বৰগুণি অনন্য। জাতীয় জীৱনৰ সকলো দিশেই তেওঁ সমৃদ্ধ কৰিছিল।

এজাক কাল ধুমুহাৰ দৰে আহিছিল ২০১১ চনৰ ৫ নৱেম্বৰৰ দিনটো। উৰুৱাই লৈ গ'ল দিচাংমুখৰ মিচিং ডেকাটিৰ সুৰ। কাহানিও আকাশী গংগা নিবিচৰা মানুহজন নিজেই গুচি গ'ল আকাশী গংগাৰ সিপাৰে। তেওঁ মৃত্যুৰ আগতেই অসমীয়া জাতিৰ সাংস্কৃতিক, সামাজিক সকলো দিশেৰে ভেটি টনকিয়াল কৰি থৈ গ'ল।♥

*(মহাবিদ্যালয় সপ্তাহৰ প্ৰবন্ধ প্ৰতিযোগিতাত প্ৰথম স্থান প্ৰাপ্ত প্ৰবন্ধ)*

# অসমৰ সমাজ জীৱনত ড° ভূপেন হাজৰিকাৰ অৱদান

ডিম্পী দাস
স্নাতক ২য় ষান্মাসিক, কলা শাখা

ড° ভূপেন হাজৰিকা এটি মুকুতাৰে ভৰা নাম। যাৰ নাম শুনিলেই আৱেগত উথলি উঠিছিল অসমৰ আবালবৃদ্ধবণিতা, যাৰ আগমন নঘটিলে অসমলৈ ব'হাগ নাহিছিল, বিহু নহৈছিল, যাৰ গীত নহ'লে উকা হৈ পৰিছিল বিহু মঞ্চ, যাৰ নেতৃত্ব নহ'লে উজ্জীৱিত হোৱা নাছিল কোনো আন্দোলন, যাৰ মিঠা মিঠা কথাবোৰ নুশুনিলে অপূৰ্ণ হৈ ৰৈছিল অসমবাসীৰ উৎসৱ, অসমৰ জাতীয় জীৱনৰ সেই অবিচ্ছেদ্য অংগজনে হ'ল ভূপেন হাজৰিকা।



বৰ্তমানৰ অসমৰ বহুমুখী প্ৰতিভাৰ ব্যক্তিসকলৰ ভিতৰত সবাতোকৈ জনপ্ৰিয় ব্যক্তিজন— ভূপেন হাজৰিকা। ১৯৬২ চনৰ ৮ চেপ্তেম্বৰৰ পৰা ২০১১ চনৰ ৫ নৱেম্বৰলৈ ড° হাজৰিকাৰ বৰ্ণাঢ্য জীৱন পৰিক্ৰমাৰে অসমৰ সমাজ জীৱনত তেওঁৰ অৱদান উল্লেখযোগ্য। অন্তৰৰ পৰা গীত ৰচি, অন্তৰৰ সুৰেৰে তিয়াই কণ্ঠক বাহনৰূপে লৈ মানৱতাবাদী শ্ৰোতাৰ হৃদয় স্পৰ্শ কৰাৰ প্ৰচেষ্টাৰে আজীৱন জীৱন কটোৱা এইজন ব্যক্তিৰ এখন মানুহৰ সমাজ গঢ়িবলৈ বৰ হেঁপাহ আছিল। এখন বৈপ্লৱিক আৰু সমাজচেতনাত দগ্ধ হৃদয় থকা বাবে ড° হাজৰিকাই তেওঁৰ সুদীৰ্ঘ জীৱনকালত এনে বহু অনবদ্য গীত ৰচনা কৰিছিল, যিবোৰে বিভিন্ন সংগ্ৰামক উদ্বুদ্ধ কৰিবলৈ সক্ষম হৈছিল। অসমৰত্ন সুধাকণ্ঠগৰাকীৰ গীতত অন্তৰ্নিহিত বিশ্বজনীন প্ৰেম-শান্তি-ভাতৃত্ববোধৰ মহান আদৰ্শই অসমৰ সকলো শ্ৰেণীৰ মানুহৰ মাজত সাতামপুৰুষীয়া ঐক্য-সম্প্ৰীতিৰ বান্ধোনক সুদৃঢ় কৰিব পাৰিছিল আৰু আমাৰ ৰাজ্যখনক শান্তি-সংহতি সমৃদ্ধিৰ পথত আগবঢ়াই নিয়াত অৰিহণা যোগাইছিল। গীতি-সাহিত্যৰে একো একোটি ঘটনা, একো একোটি মুহূৰ্ত ছবি আকাৰে চিৰযুগমীয়া কৰিব খোজা আৰু গীতৰ সমাজ পৰিৱৰ্তনৰ অস্ত্ৰৰূপে ব্যৱহাৰ কৰা স্বনামধন্য অসমৰত্ন ড° ভূপেন হাজৰিকা মূলতঃ মানৱদৰদী বিশ্ববৰেণ্য যুগজয়ী বিশ্বশিল্পী। তেওঁৰ গীতত অসম তথা ভাৰতীয় সাতামপুৰুষীয়া সাংস্কৃতিক ঐতিহ্য, পৰম্পৰা আৰু দলিত আৰ্তজনৰ মৰ্মবেদনা প্ৰকাশ পাইছে। ভিন্ন ভাষা, নানা জাতি-ধৰ্ম-বৰ্ণ সম্প্ৰদায়েৰে গঠিত আৰু অনৈক্যৰ মাজত ঐক্য বিৰাজ কৰা মহামিলনৰ তীৰ্থভূমি, পাহাৰ-পৰ্বত, পথাৰ সমাৰৰ অপৰূপ শ্যামলিমাৰে অংকীৰ্ণ অসমৰ ব্ৰহ্মপুত্ৰ, বৰাক আৰু সুৰমা-উপত্যকাৰ দুয়োপাৰে বসবাস কৰা অগণন মানুহৰ হৃদয়ৰ আৱেগ-অনুভূতি, হা-হতাশা, সুখ-দুখৰ ইতিহাস ড° হাজৰিকাই নিজৰ গীতেৰে নিগৰাই তুলিছিল। ভূপেন হাজৰিকাই অসম, অসমৰ মানুহ, অসমীয়া ভাষা-সংস্কৃতিৰ প্ৰতি গোটেই জীৱন দায়িত্ববোধৰ পৰিচয় দিছিল, অসমৰ মানুহক সকলো সময়তে সান্নিধ্য প্ৰদান কৰিছিল। তদুপৰি ড° ভূপেন হাজৰিকা আছিল বহিঃবিশ্বত অসমীয়াৰ পৰিচয় । তেওঁৰ গীতসমূহত অসমৰ প্ৰতিজন লোকৰ মন-প্ৰাণৰ ভাষা, অসমৰ আকাশ-বতাহ, অসমৰ লোকজীৱন, অসমৰ ভূগোল-বুৰঞ্জী, জলবায়ু সকলোৰে প্ৰতিফলন ঘটিছে। অসমৰ লোকজীৱন, অসমৰ লোকগীত-মাত, অসমীয়া ভাষা-সংস্কৃতিক কেন্দ্ৰ কৰি, উৎস হিচাপে লৈ ড° হাজৰিকাই গীত ৰচনা কৰিছিল। অসমৰ গীত-মাত সমূহক ড° হাজৰিকাই বিশ্ব মানৱৰ কাষলৈ উলিয়াই লৈ

গৈছিল। লোকগীত, বিশেষকৈ বিহুগীতক সৰ্বভাৰততে জনপ্ৰিয় কৰাৰ ক্ষেত্ৰত ড° হাজৰিকাই প্ৰধান ভূমিকা লৈছিল। তেওঁ আমি অসমীয়া বুলি জাতীয় ভাবানুভূতি জগাই তুলিছিল। তেওঁৰ জাতীয় ভাৱধাৰা সংকীৰ্ণ, ক্ষুদ্ৰ মনৰ নহয়। ব্ৰহ্মপুত্ৰ অথবা লুইতখনক হৃদয়ত ৰাখি তেওঁ গংগা আৰু পদ্মাৰ গীত গাইছিল। আজি সেয়ে অসমবাসীয়ে, অসমীয়া জাতিয়ে ড° হাজৰিকাৰ জাতীয় ভাবানুভূতিৰ পৰা শিকিবলগীয়া বহুত আছে। তেওঁ গোটেই জীৱন অসমৰ বৰ্তমান আৰু ভৱিষ্যতক লৈ চিন্তিত আছিল। তেওঁৰ সৃষ্টিৰাজিৰ মাজত আছিল মানৱতাবাদৰ বাণী, প্ৰগতিৰ মহামন্ত্ৰ। তদুপৰি প্ৰবাদপ্ৰতীম সংগীত শিল্পী ড° ভূপেন হাজৰিকাৰ জীৱন শৈলী বৰ বিচিত্ৰ আৰু ৰঙেৰে ভৰা। বিশেষকৈ ড° হাজৰিকাৰ সাজ-পাৰ আৰু পিন্ধন উৰণে সকলোকে আকৰ্ষিত কৰিছিল। এক কথাত কবলৈ হ'লে অসমবাসীৰ বাবে ড° হাজৰিকা আছিল এগৰাকী 'ফেশ্বন আইকন'। কলা-সংস্কৃতিৰ ক্ষেত্ৰখনত অধিক সময় অতিবাহিত কৰিলেও তেওঁ সাহিত্যৰ জগতখনৰ জৰিয়তেও অসমখনক সহায় কৰিছিল। তেওঁৰ উদ্যোগতে পঞ্চাছৰ দশকৰ মাজভাগত 'গতি' নামৰ আলোচনীখন প্ৰকাশিত হৈছিল। ইয়াৰ পিছত ষাঠিৰ দশকত তেওঁৰ সম্পাদনাতে 'বিন্দু' আলোচনীখন প্ৰকাশিত হৈছিল। এইখনেই প্ৰথম অসমীয়া ক্ষুদ্ৰ আলোচনী। সাংবাদিকতাৰ ক্ষেত্ৰখনত নিজকে আত্মনিয়োগ কৰি ড° হাজৰিকাই অসমৰ কলা-সংস্কৃতিৰ ক্ষেত্ৰখন চহকী কৰাৰ সপোন দেখিছিল। উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন জনগোষ্ঠীয় পৰিধানক জনপ্ৰিয় কৰি তোলাত হাজৰিকাৰ অৱদান উল্লেখনীয়। অসমীয়াৰ বাবে তেওঁৰ প্ৰিয় নামটো ভূপেনদা।

কিন্তু, বৰ্তমান ভূপেন হাজৰিকা নাই। ২০১১ চনৰ ৫ নৱেম্বৰ তাৰিখে তেওঁ আমাক এৰি গুচি গৈছিল। তেওঁৰ বিয়োগে অসমীয়া জাতিক অসমবাসীক অভিভাৱকহীন কৰিলে। তেওঁ অসমত থাকি অসমীয়া সমাজক নেতৃত্ব দিয়া নাছিল ঠিকেই, কিন্তু অসমৰ মানুহে সদায় অনুভৱ কৰি আহিছিল তেওঁৰ উপস্থিতি। তেওঁৰ গীত-মাত, তেওঁৰ কথা আৰু সুৰত লাগি আছিল অসমৰ আকাশ-বতাহ। ড° হাজৰিকা যেন অসমবাসীৰ জাতীয় আৰু সামাজিক মন আৰু চেতনাত সচেতনভাৱেও আৰু অৱচেতন মনৰ মাজতো সক্ৰিয় হৈ আছিল। তেওঁৰ কণ্ঠটো, কথাবোৰ, সুৰবোৰ, গীত-মাতবোৰ তেওঁ নাথাকিলেও অসমৰ মানুহৰ মাজতো ধ্বনি-প্ৰতিধ্বনিত হৈ থাকিব। তেওঁৰ গীতবোৰত সকলোৱে যেন নিজৰ নিজৰ জীৱনৰ ছবি দেখা পাইছিল। তেওঁৰ প্ৰত্যেকটো গীতৰ নিজস্ব, সুকীয়া অৰ্থ আছে। ড° হাজৰিকাৰ যি অসমক লৈ সামাজিক চেতনা, সেই চেতনা তথা অনুভূতি-উপলব্ধি আজিৰ প্ৰজন্মৰ গীতিকাৰ-গায়কসকলৰ মাজত দেখাপোৱাই টান। যি গীত তেওঁ গাইছিল, তেওঁ ৰচনা কৰিছিল, যি কথা তেওঁ কৈছিল- সেই গীত, সেই কথা পুনৰ কোনোৱে লিখিব আৰু গাব পাৰিব নে নাই সি অনিশ্চিত। তেওঁৰ অনুপস্থিতিৰ শূন্যতা হয়তো কোনেও পূৰাব নোৱাৰিব; কিন্তু তথাপি ড° হাজৰিকা প্ৰতিজন অসমীয়া আৰু প্ৰতিজন অসমৰ মানুহৰ মাজত জীয়াই থাকিব যুগে যুগে। তেওঁ অসমীয়াৰ মাজত মৰিও অমৰ। তেওঁৰ অসমৰ প্ৰতি থকা দায়বদ্ধতা অমূল্য। সেয়েহে তেওঁৰ অসমৰ সমাজ জীৱনলৈ আগবঢ়োৱা অৱদান উল্লেখনীয়। তেওঁৰ গুণেৰে তেওঁ অসমীয়াৰ মাজত সদায় জীয়াই থাকিব।

সেয়েহে ড° হাজৰিকাৰ শিকনিসমূহক গুৰুত্ব দি সেইবোৰক বাস্তৱত ৰূপায়িত কৰিবলৈ অবিৰতভাৱে চেষ্টা চলোৱাটোৱেই হ'ব তেওঁৰ অসমৰ সমাজ জীৱনলৈ আগবঢ়োৱা অৱদানৰ প্ৰতি কৃতজ্ঞতা জনোৱা আৰু লগতে প্ৰকৃত শ্ৰদ্ধাঞ্জলি।♥

*(মহাবিদ্যালয় সপ্তাহৰ প্ৰবন্ধ প্ৰতিযোগিতাত দ্বিতীয় স্থান প্ৰাপ্ত প্ৰবন্ধ)*

## মহৎ লোকৰ বাণী

*মানুহে নিজৰ জীৱনত লাভ কৰা সুখ*
*তেওঁৰ নিজৰেই সৃষ্ট অনুভূতি। নিজৰ*
*চেষ্টাৰ বলত মানুহে ইয়াক লাভ কৰে।*
*ই ঐশ্বৰিক বা প্ৰাকৃতিক নহয়।*

—ছিনিটিছি

# অসমৰ সমাজ জীৱনত ড° ভূপেন হাজৰিকা

পুষ্পাঞ্জলী ৰাভা
স্নাতক পঞ্চম যান্মাষিক, শিক্ষা বিভাগ

নানা জাতি, ধৰ্ম, ভাষা, সংস্কৃতিৰ সমন্বয়ৰ পূজাৰী ড° ভূপেন হাজৰিকাৰ বৰ্ণিল জীৱনগাঁথা বহু বিস্তৃত। কেইখিলামান পাতত লিখি তাৰ আভাস দিব নোৱাৰি।

১৯২৬ চনৰ ৮ চেপ্তেম্বৰত শদিয়াত ড° ভূপেন হাজৰিকাৰ জন্ম হয়। তেওঁৰ পিতৃ আছিল স্বৰ্গীয় নীলকান্ত হাজৰিকা আৰু মাতৃ আছিল স্বৰ্গীয়া শান্তিপ্ৰিয়া হাজৰিকা।

হাজৰিকাই পাঁচ বছৰ বয়সতে হাৰমনিয়াম বজাব শিকিছিল। সেই বয়সতে তেওঁ বন্দুক মাৰিব শিকিছিল। তেওঁৰ সাধনা আৰু প্ৰেৰণাৰ উৎস আছিল ঘৰখন, মাক-দেউতাক আৰু স্বৰ্গগত মোমায়েক।

১৯৩৬ চনত হাজৰিকাক তেজপুৰ হাইস্কুলত ষষ্ঠ শ্ৰেণীত নাম লগাই দিয়ে। বিষ্ণু প্ৰসাদ ৰাভা ৰচিত গীতৰ প্ৰথম গ্ৰামোফোন ৰেকৰ্ড 'চেনেলা' কোম্পানীত বাণীৱদ্ধ হয়। জ্যোতিপ্ৰসাদ আগৰৱালা আৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ দ্বাৰা প্ৰযোজিত 'জয়মতী' আৰু 'শোণিত কুঁৱৰী' ৰেকৰ্ড নাটক দুখনত কণ্ঠদান কৰে।

১৯৩৪ চনত ভূপেন হাজৰিকাই দেউতাকে ৰচনা কৰা গীত 'অ মাইনা কেতিয়া আহিলি তই'ত সুৰ দিছিল। গীতিকাৰ হিচাপে তেওঁ প্ৰথম গীত ৰচনা কৰে ১৯৩৭ চনত। এই গীতটো তেওঁ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ গুণানুকীৰ্ত্তন কৰি লিখিছিল—

'কুসুম্বৰ পুত্ৰ শ্ৰীশংকৰ গুৰুৱে
ধৰিছিল নামৰে তান...'

জ্যোতিপ্ৰসাদ আগৰৱালাৰ লগত ভূপেন হাজৰিকাই ১৯৩৬ চনৰ পৰা ১৯৩৯ চনলৈ কেবাবাৰো কলকাতালৈ গৈছিল। ১৯৩৯ চনত তেওঁ জ্যোতিপ্ৰসাদৰ দ্বিতীয় চলচ্চিত্ৰ 'ইন্দ্ৰমালতী'ত 'বিশ্ববিজয়ী ন-জোৱান' গীতটো গাইছিল আৰু অভিনয় কৰিছিল। এই বছৰতে তেওঁ কলকাতা ৰেডিঅ'ত গান গাইছিল। এই বছৰতে তেওঁ দ্বিতীয় গীত ৰচনা কৰিছিল- 'অগ্নিযুগৰ ফিৰিঙতি মই'। গীতটি প্ৰকাশ পাইছিল বিদ্যালয়ৰ হাতে লিখা আলোচনীত। বেনাৰসত থকা সময়খিনিত হাজৰিকাই আগ্ৰাৰ তাজমহল দেখি লিখি উলিয়াইছিল-

'কঁপি উঠে কিয় তাজমহল'

জয় প্ৰকাশ নাৰায়ণ, আম্বেদকাৰ আদিয়ে সম্পাদনা কৰা 'নিউ ইণ্ডিয়া' নামৰ কাকতখনৰ সম্পাদনাৰ ভাৰ ভূপেন হাজৰিকাৰ ওপৰতো পৰিছিল। তাত তেওঁ ১৯৫০-৫১ চনত 'এডুকেশ্বন্‌ছ অৱ মিলিয়নছ' বুলি সম্পাদকীয় এটা লিখিছিল।

১৯৫২ চনত নিউইয়ৰ্কৰ পৰা কুইন এলিজাবেথ নামৰ জাহাজখনত উঠি ছাউদাম্পৰ্টনলৈ আহিছিল। জাহাজ এৰাৰ সময়ত দেখিবলৈ পালে যে কেইগৰাকীমান অনুৰাগীয়ে জাহাজক অনুসৰণ কৰি পাৰে পাৰে দৌৰি আছে। আৱেগত চকুপানী নিগৰি আহিছিল তেওঁৰ। আটলান্টিক মহাসাগৰৰ শান্ত-সৌম্য ৰূপে তেওঁক আশ্বৰ্যান্বিত কৰিছিল। জাহাজত বহি তেওঁ লিখি উলিয়াইছিল তেওঁৰ জীৱনৰ শ্ৰেষ্ঠ গীত-

"সাগৰ সংগমত কতনা সাঁতুৰিলো
তথাপিতো হোৱা নাই ক্লান্ত
তথাপি মনত মোৰ প্ৰশান্ত সাগৰৰ
উৰ্ম্মিমালা অশান্ত।।"

গুৱাহাটীত থাকিবলৈ গৈ ভূপেন হাজৰিকাই গান গাবলৈ আৰম্ভ কৰিছিল। বিহুত তেওঁ ছোৱালীবোৰক শিকাই দিছিল, 'ৰ'দ পুৱাবৰ কাৰণে মাতিবানো কাক' গীতটো গাবলৈ।

১৯৫৪ চনত হাজৰিকাই গুৱাহাটী বিশ্ববিদ্যালয়ত প্ৰবক্তা হিচাপে যোগদান কৰে। বিশ্ববিদ্যালয়ত তেওঁ কলা বিভাগৰ অধ্যাপক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁ পঢ়োৱা তেৰ গৰাকী ছাত্ৰ-ছাত্ৰীৰ এগৰাকীয়ে অনাৰ্চ পাইছিল। তেওঁৰ এজন গুণমুগ্ধ ছাত্ৰ হ'ল - বিশিষ্ট নাট্যকাৰ ৰত্ন ওজা। হোষ্টেলৰ নৱাগত আদৰণি সভাত ভূপেন হাজৰিকাই গীত লিখিছিল—

'স্নেহে আমাৰ শত শ্ৰাৱনৰ
ধাৰাসাৰ বৃষ্টিৰ প্লাৱন আনে...'

১৯৫৫ চনত দিল্লীত অনুষ্ঠিত আন্তঃ বিশ্ববিদ্যালয় যুৱ উৎসৱত হাজৰিকাৰ পৰিচালনাৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ দলে শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰিছিল। তেওঁ ছাত্ৰ-ছাত্ৰীবোৰৰ হঁতুৱাই 'এৰাবাটৰ সুৰ' নামৰ নাটকখন কৰিছিল।

১৯৫৪ চনত হাজৰিকাই গুৱাহাটী বিশ্ববিদ্যালয় জালুকবাৰীত মুকলি কৰিবৰ দিনা ৰচনা কৰিছিল—

'জিলিকাব লুইতৰে পাৰ
আন্ধাৰৰ ভেটা ভাঙি
প্ৰাগজ্যোতিষত বয়
জেউতি নিজৰাৰে ধাৰ...'

হাজৰিকাই চাৰিখন বঙালী চলচিত্ৰৰ সংগীত ৰচনা কৰিছিল। সেইবোৰ হ'ল 'জীৱন-তৃষ্ণা', 'অসমাপ্ত', 'কড়িও কমল' আৰু 'ধুমুহা'। তেওঁ নিজৰ পৰিচালনাৰে 'এৰাবাটৰ সুৰ' চলচিত্ৰ কৰিছিল।

১৯৫৮ চনত তেওঁ গোৱালপৰীয়া ভাষাৰ ছবি 'মাহুত বন্ধু' কৰিলে। প্ৰতিমা পাণ্ডেক বিখ্যাত কৰাৰ লগতে গোৱালপৰীয়া ভাষাটোকো স্বকীয় মৰ্যাদা দিয়াত সহায় কৰিলে। ১৯৫১ চনত তেওঁ ফণী শৰ্মাৰ পৰিচালনাৰ 'কেঁচা সোণ', 'পুৱতি নিশাৰ সপোন' আৰু বঙালী ছবি 'দুই বেচাড়া'ৰ সংগীত পৰিচালনা কৰিলে। ১৯৬১ চনত হাজৰিকাই 'শকুন্তলা' নিৰ্মাণ কৰিলে। 'শকুন্তলা'ই আঞ্চলিক ভিত্তিত শ্ৰেষ্ঠ পুৰস্কাৰ পালে। ইয়াৰ পিছত কৰিলে 'লটি-ঘটি'। 'লটিঘটি'ৰ দ্বাৰা তেওঁ ব্যৱসায়িকভাৱে লাভান্বিত হ'ল। তাৰ পিছত তেওঁ 'প্ৰতিধ্বনি' কৰিলে।

১৯৬০ চনত হাজৰিকাই অসমলৈ আহি অসম বঙালীৰ বিভেদৰ বিৰুদ্ধে শান্তিৰ হ'কে গাঁৱে-ভূঞে ঘূৰি গান গাইছিল।

১৯৬২ চনত চীন-ভাৰতৰ আক্ৰমণৰ পিছত ভূপেন হাজৰিকাই ভাৰত-চীন সীমান্তৰ টেঙাভেলি কামেং সীমান্ত, বমডিলা লৈ চীনা বাহ্নসহতে নিষ্ঠুৰভাৱে অতৰ্কিতে মহতিয়াই যোৱা ভাৰতীয় সেনা কেম্প আৰু মৃতদেহসমূহ প্ৰত্যক্ষ কৰিলে। জনজাতিসকলক আশ্বাস দিলে, নিজ গাঁৱলৈ উভতি আহি ব'মডিলাত গীত গালে- 'বিশ্ববিজয় ন জোৱান' 'সাৰে জাহা সে আচ্ছা হিন্দুস্থান হামাৰা'। সৈন্যসকলৰ মনত আত্মবিশ্বাস আৰু আস্থা আহিল। তাৰ পৰা উভতি আহি তেওঁ লিখিছিল-

'কত জোৱানৰ মৃত্যু হ'ল
কাৰ জীৱন যৌৱন গ'ল'

১৯৬৩ চনৰ পৰা ১৯৬৫ চনলৈ হাজৰিকাই চলচ্চিত্ৰৰ কাম কৰিছিল। ১৯৬৩ চনত অসম সাহিত্য সভাৰ ৩১ তম নাজিৰা অধিবেশনত সংগীত শাখাৰ সভাপতি হিচাপে মনোনীত হৈছিল।

১৯৬৭ চনত ভূপেন হাজৰিকাই নাওঁবৈচা সমষ্টিত কংগ্ৰেছৰ প্ৰাৰ্থীক চৈধ্য হাজাৰ ভোটত হৰুৱাই অসমৰ প্ৰথম আঞ্চলিক দল জনগণতান্ত্ৰিক দলৰ সদস্য হিচাপে বিধানসভালৈ নিৰ্বাচিত হয়। তেওঁ ১৯৬৭ চনৰ পৰা ১৯৭১ চনলৈ এই সময়ছোৱাত তিনিমাহ কাল শ্বিলঙত থাকি বাকী নটা মাহ অসম-বংগৰ চলচিত্ৰ আৰু গীতৰ কাৰণে ঘূৰি ফুৰিছিল। এটা ফিল্ম ষ্টুডিঅ', এটা আৰ্ট গেলাৰী আৰু আন এটা জাতীয় নাট্যশালা নিৰ্মাণৰ কাৰণে তেওঁ বহুতো যুঁজিছিল। বিধায়ক হিচাপে তেওঁ কৰা ডাঙৰ কাম দুটা হ'ল — 'জ্যোতি চিত্ৰবন ষ্টুডিঅ' নিৰ্মাণৰ আৰম্ভণি আৰু গুৱাহাটীত 'ৰবীন্দ্ৰ ভৱন' স্থাপন।

তেওঁ নিজৰ সমষ্টিত স্কুল, মথাউৰি আৰু বিজুলীবাতিৰ উন্নতিকৰণৰ কাম কৰিছিল। ১৯৬৮ চনত তেওঁ 'সুধাকণ্ঠ' উপাধি লাভ কৰিছিল। ১৯৬৯ চনত হাজৰিকাই 'চিকমিক বিজুলী' চলচিত্ৰ নিৰ্মাণ কৰে।

১৯৭৫ চনৰ ৮ এপ্ৰিলত অসমৰ পৰা এশজনীয়া প্ৰতিনিধিৰ দল এটা আৰু অৰুণাচল প্ৰদেশৰ আলঙত পতা সপিন উৎসৱলৈ গৈছিল। হাজৰিকাই অৰুণাচলবাসীক উপহাৰ দিয়া গীতটো হ'ল-

'অৰুণ কিৰণ শিৰত ভূষণ
গালে হিমৰ ধল
পুৱাৰ সুৰুযে চুমা খোৱা দেশ
আমাৰ অৰুণাচল।'

হাজৰিকাই 'চামেলী মেমচাহাব' চলচিত্ৰৰ সংগীত পৰিচালনাৰ বাবে ৰাষ্ট্ৰপতিৰ পৰা শ্ৰেষ্ঠ সংগীত পৰিচালনাৰ স্বৰ্ণকমল বঁটা লাভ কৰে। ১৯৭৭ চনৰ ২ এপ্ৰিলত তেওঁ ভাৰতৰ মহামান্য ৰাষ্ট্ৰপতিৰ পৰা পদ্মশ্ৰী বঁটা গ্ৰহণ কৰে।

১৯৭৯ চনৰ ৬ ফেব্ৰুৱাৰীত তিনিচুকীয়াত বহা নিখিল ভাৰত বংগ সাহিত্য সন্মিলনত ভূপেন হাজৰিকা উপস্থিত আছিল। তেওঁ ভাষণ দিছিল অসমীয়া আৰু বঙালী ভাষাত। পৰস্পৰৰ মাজত সেতু বন্ধনৰ কাৰণে তেওঁ গানো গাইছিল। সভাত তেওঁৰ বক্তব্য আছিল- 'মোৰ মা এজনী। প্ৰতি মানুহৰ মাতৃভাষাও এটাহে। গতিকে সেই মাতৃভাষা সকলোৰে ভাল লাগে। সেই মাতৃভাষা প্ৰেম মানে এইটো নহয় যে

আমি আনৰ মাতৃভাষাক ঘৃণ কৰো।

হাজৰিকাই ১৯৯৩ চনৰ ৬ ফ্ৰেব্ৰুৱাৰীৰ পৰা হোৱা অসম সাহিত্য সভাৰ ৫৯ তম্ শিৱসাগৰ অধিৱেশনত আনুষ্ঠানিকভাৱে সভাপতিৰ দায়িত্ব গ্ৰহণ কৰিছিল।

১৯৯৮ চনত হাজৰিকাই ভাৰতৰ সংগীত জগতৰ শ্ৰেষ্ঠ আসন সংগীত নাটক একাডেমীৰ অধ্যক্ষৰ পদ গ্ৰহণ কৰে। তেওঁৰ এই দায়িত্বৰ কালচোৱাত অসমৰ বাবে এটা ডাঙৰ কাম হ'ল - সত্ৰীয়া বা শংকৰী নৃত্যক শাস্ত্ৰীয় নৃত্য হিচাপে স্বীকৃতি দিয়া।

একাডেমীয়ে নতুন দিল্লীত 'ৰংগস্বৰ্ণ' নামেৰে পঞ্চাশখন নাটকৰ এটা নাট্য মহোৎসৱ অনুষ্ঠিত কৰিছিল। হাজৰিকাই অসমৰ চাৰি সংহতিৰ সত্ৰক লগ কৰাৰো প্ৰচেষ্টা চলাইছিল। ভাৰতৰ প্ৰখ্যাত শিল্পীসকলৰ সুবাস তেওঁ চুকে-কোণে বিয়পাই দিবলৈ চেষ্টা চলাইছিল। তেওঁৰ যত্নত সংগীত নাটক একাডেমী সৰ্বসাধাৰণৰ ওচৰলৈ উভতি আহিছিল।

মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ভক্তিৰ দোলেৰে যি বৰ অসম গঢ়িছিল তাত আত্মহাৰা হৈ তেওঁ প্ৰথম গীতটো ৰচনা কৰিছিল —

'কুসুম্বৰ পুত্ৰ শ্ৰীশংকৰ গুৰুৱে ধৰিলে নামৰে তান
নামৰে সুৰতে আনন্দত নাচিছিল পৱিত্ৰ বৰদোৱা থান"

ভূপেন হাজৰিকাই বিভিন্ন সংস্কৃতিৰ সমন্বয়ত গঢ়ি উঠা অসমীয়া সংস্কৃতিক বৰ লুইতৰ লগত তুলনা কৰিছিল। এনেকৈয়ে তেওঁ অসমৰ সমাজখন গঢ়ি থৈ গ'ল।♥

*(মহাবিদ্যালয় সপ্তাহৰ প্ৰবন্ধ প্ৰতিযোগিতাত তৃতীয় স্থান প্ৰাপ্ত প্ৰবন্ধ)*

## কৌতুক



**বক্তৰা :** উকিল চাহাব, আপোনাৰ ওকালতি দেখোন শালখৰি চুলাৰ দৰে গৰম।
**হাজৰিকা উকিল :** হ'বইতো, কাৰণ তাৰ পৰাই মই ভাত খাই আছো

**নিৰ্বাচনত ভাগ লোৱা এক ভদ্ৰ মহিলাৰ প্ৰতি সাংবাদিক —**
: আপুনি নিৰ্বাচনত যুঁজ দিয়াৰ কথাটো কিয় ভাবিলে ?
: মোৰ স্বামীৰ সৈতে যুঁজ লাগিলে সদায় ময়েই জয়লাভ কৰোঁ। সেয়ে ভাবিলো....। ভদ্ৰ মহিলাই উত্তৰ দিলে

: মহাশয়, আপোনাৰ তেনেই চুলি সৰিছে। আপুনি আমাৰ কেশবৰ্দ্ধক তেলটো ব্যৱহাৰ কৰা নাই নেকি ?
: নাই কৰা, মোৰ চুলি নিজে নিজেই সৰিছে।

**পত্নী :** শুনিছেনে, শৰীৰৰ আটাইতকৈ দূৰ্বল অংশটোৰ হেনো বেমাৰে আক্ৰমণ কৰে ?
**স্বামী :** অ', সেইবাবেহে প্ৰায়েই তোমাৰ মূৰৰ বিষটো হৈ থাকে

# কাগজৰ উৎপত্তি আৰু ইয়াৰ উপকাৰিতা

বিদ্যুত সূত্ৰধৰ
স্নাতক তৃতীয় ষান্মাসিক

প্ৰাচীন কালৰে পৰা মানুহে ক্ৰমোন্নতিৰ পথত আগবাঢ়ি আহি আহি মনৰ ভাৱবোৰ লিখি প্ৰকাশ কৰিবলৈ ল'লে। প্ৰথমতে তেওঁলোকে বিভিন্ন ছবি নক্সা আদিৰে শিলৰ ফলিত, পৰ্বতৰ গুহাত, ধাতুৰ পাত্ৰ, মাটিৰ পাত্ৰ, মাটিৰ বেৰ আদিত মনৰ ভাৱবোৰ প্ৰকাশ কৰিছিল।

কিন্তু কালক্ৰমত মানুহে বৰ্ণমালাৰ সৃষ্টি কৰিলে। প্ৰাচীন কালত জ্ঞানী পুৰুষসকলে জ্ঞান-বিজ্ঞান, ধৰ্মশাস্ত্ৰ, দৰ্শন, ইতিহাস, গণিত, চিকিৎসা শাস্ত্ৰ আদিৰ মূল্যবান কথাবোৰ জন-সমাজৰ হিতৰ কাৰণে অশেষ কষ্ট কৰি লিপিবদ্ধ কৰি থৈ গৈছে। সাঁচি গছৰ ছাল সিজাই শুকুৱাই লৈ মূল্যবান কথাবোৰ গ্ৰন্থ হিচাপে লিখিছিল। পুৰণি কালৰ মানুহে গছৰ ছালক আৰু বহুতো ধৰণৰ কামত ব্যৱহাৰ কৰিছিল। কাপোৰ হিচাপেও পিন্ধিছিল।

ক্ৰমোন্নতি লৈ আহি তেওঁলোকে লিখাবোৰ স্থায়ী কৰিবলৈ চেষ্টা কৰোঁতেই কাগজৰ আবিষ্কাৰ কৰিলে। অভাবেই আবিষ্কাৰ কথাষাৰ সঁচাকৈ ফলিয়ালে।

মিছৰ দেশত প্ৰাচীন কালত প্যাপিৰাচ নামৰ এবিধ গছৰ পৰা কাগজ তৈয়াৰ কৰাৰ বাবেই তাক পেপাৰ নাম দিয়া হয়।

ওঠৰ শতিকাৰ পৰা ইউৰোপত তৈয়াৰ হোৱা কাগজ ভাৰতবৰ্ষই আমদানি কৰিছিল।

বৰ্তমান শিক্ষাৰ প্ৰধান আহিলাই হ'ল কাগজ। এই মূল্যবান বস্তু তৈয়াৰ হোৱা বাঁহ, গছ আদিৰ যত্ন লোৱাটো আমাৰ সকলোৰে কৰ্তব্য। যিসকল বিজ্ঞলোকে আমাক এই জ্ঞানৰ সন্ধান দি শ্ৰেষ্ঠতাৰ শাৰীলৈ আনিব পাৰিছে, তেওঁলোক সঁচাকৈ মহান। সেই মহান ব্যক্তিৰ ব্যক্তিত্বৰ বাবে আজি আমি কাগজত ছপা কৰা পুথি স্থায়ী হিচাপে পাইছোঁ। মানৱ সমাজখনক উন্নতিৰ শিখৰত আগুৱাই নিবলৈ কাগজেই মহান সম্পদ ৰূপে পৰিগণিত হৈছে।

প্ৰাচীন কালত কাগজৰ প্ৰচলন নাছিল যদিও সেই সময়তো মানুহে চিন্তা কৰি পোৱা কোনো কথা পাহৰি নাযাবলৈ বা আনৰ ওচৰত পোৱাবলৈ কাগজ জাতীয় বস্তুৰ প্ৰয়োজনবোধ কৰিছিল। সেয়েহে পুৰণি কালত আমাৰ দেশত মানুহে তামৰ পাত, গছৰ পাত বা বাকলিত লিখা মেলা কৰিছিল। পিছত তুলাৰ পৰা কাগজ জাতীয় এবিধ বস্তু তৈয়াৰ কৰি তাৰ দ্বাৰাই কাম চলাইছিল। ইয়াকে তুলাপাত বোলা হৈছিল। এইবোৰ বস্তু বেছিদিন ভাল হৈ নাথাকিছিল। এইবোৰৰ পিছত উলিওৱা সাঁচি গছৰ পাতত লিখা নানা ধৰণৰ কথা আজিলৈকে ধুনীয়াভাৱে আছে। ১৭৯০ চনত এজন ফৰাচী বিজ্ঞানীয়ে কাগজ তৈয়াৰ কৰা কল আবিষ্কাৰ কৰে বুলি জনা যায়।

কাগজ এনে এবিধ বস্তু যাৰ সহায়ত আজিৰ যুগত লিখা-মেলা, সাজ-সজ্জাৰ নমুনা বা আৰ্হি তৈয়াৰ কৰাতো বাদেই আনকি ঘৰ পৰ্যন্ত সাজিবলৈ পৰা হৈছে। কাগজ অবিহনে শিক্ষাৰ প্ৰসাৰ অসম্ভৱ বুলি ক'ব পাৰি। সেয়েহে কাগজ অপৰিহাৰ্য্য বস্তু। বৰ্তমান যুগত অশিক্ষিত মানুহেও কাগজৰ মূল্য বুজা হৈছে।

# মহান বিজ্ঞানীৰ মহান চিন্তা

বিদ্যুত কাকতি
স্নাতক প্ৰথম ষাণ্মাসিক, বিজ্ঞান শাখা

সমগ্ৰ জগতে এতিয়া এই কথা মানি লৈছে যে টমাছ আলভা এডিছন আছিল সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ আৱিষ্কাৰক তথা উদ্ভাৱক। তেওঁ উদ্ভাৱন কৰা বিচিত্ৰ বৈদ্যুতিক আৰু যান্ত্ৰিক সঁজুলিবোৰে পৃথিৱীখনৰ চেহেৰা আৰু মানুহৰ জীৱনধাৰা চিনিব নোৱৰাকৈ সলনি কৰি পেলালে। সেইবোৰৰ যহতে তেওঁ নিজেও বিপুল ধন-সম্পত্তিৰ গৰাকী হৈছিল। ১৯৩১ চনত তেওঁৰ মৃত্যুৰ পিছত নিউইয়ৰ্ক টাইমছ নামৰ বাতৰিকাকতখনে হিচাপ কৰি দেখুৱাইছিল যে তেওঁৰ বিভিন্ন আৱিষ্কাৰৰ ওপৰত ভিত্তি কৰি যিবোৰ উদ্যোগ আৰু ব্যৱসায় গঢ় লৈ উঠিছিল সেইবোৰৰ মূল্য আছিল দুহেজাৰ পাঁচশ উনসত্তৰ কোটি ডলাৰ! আন কথাত ক'বলৈ গ'লে নগদ ধনৰ মাপকাঠিৰে টমাছ আলভা এডিছনৰ মগজটোৱেই আছিল ইতিহাসৰ আটাইতকৈ দামী মগজু।

এডিছনৰ এটা বিৰাট গৱেষণাগাৰ আছিল। কোৱা হয় যে এইটোৱেই আছিল সমগ্ৰ পৃথিৱীতে এনেধৰণৰ প্ৰথম গৱেষণাগাৰ - য'ত এজন মানুহৰ নেতৃত্বত বহুতো কাৰিকৰ আৰু গৱেষণাকৰ্মীয়ে কাম কৰি নতুন নতুন সঁজুলি উদ্ভাৱন কৰিছিল। এদিন দুৰ্ঘটনাক্ৰমে গৱেষণাগাৰটোত জুই লাগি চকুৰে চাই থাকোতেই সি ভগ্নস্তুপত পৰিণত হ'ল। বহু বছৰ ধৰি কঠোৰ পৰিশ্ৰম কৰি তেওঁ যিবোৰ মূল্যৱান বৈজ্ঞানিক সঁজুলি তৈয়াৰ কৰিছিল সেই সকলোবোৰ তেওঁৰ চকুৰ আগতে লেলিহান অগ্নিশিখাই গ্ৰাস কৰি পেলালে।

তেতিয়া এডিছনৰ বয়স হৈছিল ৬৭ বছৰ। সেই বয়সত বেছিভাগ মানুহে নিজৰ কান্ধৰ পৰা কামৰ বোজা এটা এটাকৈ নমাবলৈ আৰম্ভ কৰে। নতুনকৈ জীৱনটো আৰম্ভ কৰিবলৈ সেই বয়সত বেছিভাগ মানুহৰে শক্তি আৰু উদ্যম নাথাকে। এনেস্থলত গেটেই জীৱনৰ সাধনাৰে তিল তিলকৈ গঢ়ি তোলা অমূল্য গৱেষণাগাৰটো নিজৰ চকুৰ আগতে ছাইত পৰিণত হোৱা দেখিলে বেছিভাগ মানুহেই দুখ আৰু হতাশাত ভাগি পৰিলহেঁতেন; জীৱনটো নতুনকৈ আৰম্ভ কৰিবলৈ শক্তি আৰু সময় নাই বুলি ভাবি তেওঁৰ জীয়াতে মৰাৰ নিচিনা অৱস্থা হ'লহেঁতেন কিন্তু টমাছ আলভা এডিছন আছিল সম্পূৰ্ণ বেলেগ ধাতুৰে গঢ়া মানুহ জুইয়ে তেওঁৰ গৱেষণাগাৰটো পুৰি এফালৰ পৰা ছাই কৰি অনা দেখি অস্থিৰ আৰু আতংকিত হোৱাৰ পৰিৱৰ্তে এডিছনে মুগ্ধ দৃষ্টিৰে নাচি-নাচি জঁপিয়াই ফুৰা অগ্নিশিখাবোৰ চাবলৈ ধৰিলে। চাৰ্লছ নামৰ তেওঁৰ ডেকা পুতেকজনে অগ্নিকাণ্ডৰ হুলস্থূলৰ মাজত ইমানপৰে তেওঁকেই বিচাৰি ফুৰিছিল। পুতেকক দেখা মাত্ৰে এডিছনে ক'লে — "বোপাই, তুমি তৎক্ষণাত মাৰাক ইয়ালৈ মাতি আনা। এই ভীষণ সুন্দৰ দৃশ্যটো তেওঁ চাবই লাগিব। চোৱাচোন চোৱা, লেলিহান অগ্নিশিখাই কি অবৰ্ণনীয় দৃশ্য সৃষ্টি কৰিছে।"

এই দুৰ্ঘটনাৰ খবৰ পাই পিছদিনা এডিছনৰ বন্ধুসকল তেওঁক সহানুভূতি জনাবলৈ আহিল। যাক সহানুভূতি জনাবলৈ তেওঁলোক আহিল সেই এডিছন নিজে নিৰ্বিকাৰ। বৰং এডিছনে তেওঁলোকক ক'লে —"জুইয়ে মোৰ গৱেষণাগাৰটো পুৰি ছাই কৰি মোৰ সৰ্বনাশ কৰিলে বুলি নাভাবিবা। মই নিজে কিন্তু এই দুৰ্ঘটনা মোৰ ভালৰ কাৰণেহে হৈছে বুলি ভাবিছো। মই অতীতত কৰি অহা আটাইবোৰ ভুল জুইয়ে পুৰি ছাই কৰি পেলালে আৰু মোৰ গৱেষণা নতুনকৈ আৰম্ভ কৰিবলৈ মোক এটা সুযোগ দিলে। তাৰ কাৰণে মই ঈশ্বৰক ধন্যবাদ দিছো।"

এইটোৱেই হ'ল শিক্ষা- যিটো শিক্ষাৰ প্ৰয়োজন মানুহৰ জীৱনত আটাইতকৈ বেছি। মানুহৰ জীৱনত বাধা-বিঘিনি আৰু সমস্যাৰ অন্ত নাই। একমাত্ৰ ধৈৰ্য, আশা আৰু আত্মবিশ্বাসৰ বলেৰেহে মানুহে সেইবোৰ অতিক্ৰম কৰি নিজৰ লক্ষ্য অভিমুখে আগবাঢ়ি যাব পাৰে। বিপদক সম্পদলৈ আৰু অসুবিধাক সুবিধালৈ কেনেকৈ ৰূপান্তৰিত কৰিব পাৰি সেই শিক্ষা পাবৰ কাৰণে আমি মহৎ লোকৰ জীৱনী অধ্যয়ন কৰা উচিত। টমাছ আলভা এডিছন হ'ল তেনে এজন মহৎ লোক।

# হিংসা নহয় আমাক শান্তি লাগে

পাপৰি নাথ
স্নাতক পঞ্চম ষান্মাষিক, শিক্ষা বিভাগ

যৌৱনৰ সাহসেৰে নিভাঁজ হৃদয়েৰে
আহা আদৰোঁ নৱ-প্ৰভাতক
হিংসা-সন্ত্ৰাসৰ কুঁৱলী আঁতৰাই
ভাতৃত্ববোধেৰে মানৱতাৰ জয়গান গাঁও।

নিত্য নতুন প্ৰগতিৰে সভ্যতাৰ চূড়ান্ত শিখৰত উপস্থিত হৈছে জীৱশ্ৰেষ্ঠ মানৱ। কিন্তু এই আধুনিক যুগে আমাক কি দিছে? চৌদিশে নিঃসহায় মানুহৰ হাহাকাৰ, কেঁচা তেজৰ গোন্ধ, খাৰ-বাৰুদৰ ধ্বংসলীলা! হত্যা, হিংসা, লুণ্ঠন এইবোৰ যেন কৰ্ম-সংস্কৃতিহে হৈ পৰিছে। ইতিহাসৰ পাত লুটিয়াই চালে দেখা যায় আমাৰ দেশ কোনো ক্ষেত্ৰতে পিছপৰা নাছিল। পিছপৰা নাছিল আমাৰ অসমো। কিন্তু অসমৰ গৰিমা আজি যেন কালৰ সোঁতত বিলীন হ'বলৈ ওলাইছে।

আজিৰ এই দুঃসময়ক প্ৰত্যাহ্বান জনাই প্ৰকৃত শান্তিৰ বাতাবৰণ সৃষ্টি কৰাৰ চাবি-কাঠি কাৰ হাতত? হয়, আমাৰ হাতত, যুৱ সমাজৰ হাতত।

## শান্তি... প্ৰকৃততে ক'ত ??

প্ৰকৃত শান্তিৰ পথ অনুসন্ধান কৰি বহুতেই হতাশাত ভুগিছে। প্ৰকৃতাৰ্থত শান্তি হৈছে জীৱন সম্পৰ্কে থকা মনৰ ভাৱনাবোৰ ফলৱতী হ'লে মনে পোৱা তৃপ্তিবোধ। এই তৃপ্তিবোধ হ'ল — মানসিক, শাৰীৰিক তথা বৈষয়িক। কিন্তু প্ৰকৃত শান্তি মানসিক তৃপ্তিৰ লগতহে জড়িত। বৈষয়িক তৃপ্তিয়ে শান্তিৰ আগমণত আৰিহনাহে যোগায়। কিন্তু বৈষয়িক তৃপ্তিৰ অন্ধ লালসাই বহুসময়ত জীৱনটো বিষময় আৰু দুৰ্দশাগ্ৰস্ত কৰি তোলে।

আজিৰ জীৱন যাত্ৰাত ধন-সম্পত্তি অপৰিহাৰ্য্য। কিন্তু মাথোঁ ধনৰ মহিমাৰে সুখী হোৱা লোকৰ সংখ্যা নগণ্য। কেৱল ধন-সম্পদে মানুহক জীৱশ্ৰেষ্ঠ কৰা নাই। এয়া বহু যুগৰ সাধনাৰ ফল। ধনে জানো দাৰ্শনিক চিন্তাক বিকশিত কৰিব পাৰে? শ্ৰদ্ধা, দয়া, কৰুণা, স্নেহ, সমবেদনা ধনেৰে কিনিব পাৰি জানো?

তথাপি আমাৰ সমাজত ধনৰ বাবে টনা-আঁজোৰাৰ অন্ত নাই। ধনৰ বাবে মানুহে মানুহক হত্যা কৰিছে, ধ্বংস কৰিছে প্ৰকৃতিৰ সেউজীয়া ৰূপ। সহজলভ্য ধন আহৰণৰ যিকোনো পন্থা অৱলম্বন কৰিবলৈ অলপো কুণ্ঠাবোধ নকৰে আজিৰ মানৱে। নিজৰ শক্তি-সামৰ্থ্যক আওকাণ কৰি বিসৰ্জন দিছে মূল্যবোধক। বিপথগামী ব্যক্তিসকল যেন দয়া, মায়া, প্ৰেমহীন একো একোটা ৰবট। বহুতে আকৌ তুলি লৈছে হাতত অস্ত্ৰ।

## আমিবোৰ কোন দিশে ?

একবিংশ শতিকাৰ জীৱশ্ৰেষ্ঠ মানুহ হৈও আমি বাৰু ভৱিষ্যত প্ৰজন্মলৈ কি থৈ যাম? দৰিদ্ৰতা, আতংক, বুভুক্ষা নে অন্ধবিশ্বাস আৰু পুঁজিবাদী সংস্কৃতিৰে আৱৰা 'এখন মূল্যবোধহীন সমাজ'?

স্বাধীনতা আমাৰ জন্মস্বত্ব অধিকাৰ। কিন্তু আমিবোৰ জানো স্বাধীন? আমি তেনে এখন গণতান্ত্ৰিক দেশত বাস কৰিছো, য'ত নিলাম হয় গণতন্ত্ৰ, শোষিত হয় নিৰীহ জনগণ। স্বাধীনতা দিৱস যেন হৈ পৰিছে কালৰাত্ৰি।

নানা জাতি, উপজাতিৰ মিলনভূমি আমাৰ অসম। কিন্তু আজি এই ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি সত্বাসমূহে অস্তিত্ব ৰক্ষাৰ সংগ্ৰাম কৰিছে। নিজ নিজ জাতিসমূহৰ ৰাজ্য বিচাৰি, অধিকাৰ বিচাৰি সংগ্ৰামৰ মাৰ বান্ধিছে। সময়ৰ লগে লগে ই ৰূপ লৈছে সশস্ত্ৰ সংগ্ৰামৰ। কিন্তু ইয়াৰ অন্ত ক'ত?

কেতিয়া গঢ়ি উঠিব শংকৰ-মাধৱৰ মহিমামণ্ডিত সোণৰ অসম!!!

**হত্যা... হিংসা... ইত্যাদি**

আজিকালি প্ৰভাতী পক্ষীৰ মধুৰ কাকলিত ৰাতি নুপুৱাই। প্ৰভাত হয় গুলী-বাৰুদৰ ধ্বংসলীলাৰে, নিঃসহায় এজাক শিশুৰ আতংকিত চিঞৰেৰে। এজাক দেৱশিশুৰ নিষ্পাপ দুচকুৰে আমাক মিনতি কৰে আমাক জীয়াই থাকিবলৈ দিয়া। বন্ধ কৰা এই অমানুষিকতা আৰু হিংসালীলা।

আজিৰ উত্তৰ-পূৰ্বাঞ্চলৰ হত্যাকাণ্ড প্ৰধানতঃ দুটা কাৰণবিশিষ্ট- এটা হৈছে সাম্ৰাজ্যবাদ। জীৱনটোক কেৱল উপভোগ কৰিবলৈ গৈ মানুহে পাহৰি পেলাইছে নিজৰ মূল্যবোধ, নিজৰ সত্তা। নৱপ্ৰজন্মও নামি পৰিছে দুৰ্নীতি, জুৱা, লটাৰী আৰু চোৰাং কাৰবাৰত।

অন্য এটা কাৰণ হৈছে- সমাজবাদী দৰ্শনৰ ভ্ৰান্ত ধাৰণা। নৱপ্ৰজন্মই যেন এখন শ্ৰেণীহীন ন-সমাজ বিচাৰি আশ্ৰয় লৈছে সমাজবিৰোধী কাৰ্যকলাপৰ।

**কোনে আনিব পৰিৱৰ্তন?**

পৰিৱৰ্তন প্ৰকৃতিৰ অপৰিহাৰ্য নিয়ম। বিশ্বৰ কোনো বস্তুৱেই স্থাৱৰ নহয়। সময়ৰ লগে লগে সকলোবোৰ বস্তুৱেই পৰিৱৰ্তন হয়। গতিকে, আজিৰ এই হত্যা-হিংসাৰ অৱসান ঘটি পৰিৱৰ্তন এদিন হ'বই। ইয়াৰ বাবে লাগিব সংগঠিত শক্তি। এই শক্তি হ'ব লাগিব অধ্যয়নপুষ্ট আৰু সামাজিক অনুশীলনেৰে সম্পূৰ্ণ। একত্ৰিত হ'ব লাগিব ছাত্ৰ-সমাজ, বুদ্ধিজীৱি, আইনজীৱি আৰু সমূহ জনগণ। কিয়নো, বাইজে নখ জোকাৰিলে নৈ বয়। আমাৰ সমাজ হ'ব প্ৰগতিশীল, দুৰ্নীতিমুক্ত, হিংসামুক্ত এখন নিকা-আলয়। এয়া প্ৰতিগৰাকী যুৱক-যুৱতীৰ হওঁক স্বপ্ন, হওঁক প্ৰত্যাশা।♥

## মহৎ লোকৰ বাণী

*আটাইতকৈ সুখী মানুহ হ'ল সেইজন,*
*যিজনে অতি কম বস্তুক লৈয়েই সন্তুষ্ট*
*হৈ থাকিব পাৰে।*

— ছক্ৰেটিছ

*জীৱনৰ গধূলি পৰত অতীতলৈ ঘূৰি*
*চাই যি মানুহে ক'ব পাৰে যে তেওঁ*
*জীৱনটো ভালদৰে কটালে আৰু*
*অনুতপ্ত হ'বলগীয়া কোনো কাম কৰা*
*নাই, তেওঁতকৈ সুখী আৰু ভাল মানুহ*
*আন কোনো হ'ব নোৱাৰে।*

— এন. টেইলৰ

# ছাৰ আইজাক নিউটন

পদ্মলোচন ৰাভা
স্নাতক পঞ্চম ষাণ্মাসিক, কলা শাখা

ছাৰ আইজাক নিউটনৰ জন্ম হৈছিল ইংলেণ্ডৰ লিংকন ছায়াৰ কাউন্টিৰ উলছথ্ৰণ মেনৰত। জন্মৰ দিনটো আছিল ১৬৪২ চনৰ পৱিত্ৰ বৰদিন। ২৫ ডিচেম্বৰ। সেই সময়ত ইংলেণ্ডৰ নতুন গ্ৰেগৰিয়ান কেলেণ্ডাৰৰ ব্যৱহাৰ হোৱাই নাছিল । গতিকে তাৰিখবোৰ দহদিন আগবঢ়া আছিল। তেতিয়াৰ ইউৰোপত প্ৰচলিত আৰু বৰ্তমান সমগ্ৰ বিশ্বত প্ৰচলিত গ্ৰেগৰিয়ান কেলেণ্ডাৰৰ হিচাপত আইজাক নিউটনৰ জন্ম তাৰিখ হ'ব লাগে ১৬৪৩ চনৰ ৪ জানুৱাৰী।

আইজাকৰ দেউতাকৰ নামো আছিল আইজান নিউটনেই। তেওঁ আছিল এজন অশিক্ষিত, উচ্ছৃংখল গাঁৱলীয়া লোক। তেওঁৰ কেইটামান পোহনীয়া জন্তু আছিল, কিছু সম্পত্তিও আছিল। কিন্তু পঢ়াৰ ক্ষেত্ৰত একেবাৰে তথৈবচ। নিজৰ চহীটোও কৰিব নাজানে। দেউতাক আইজাক নিউটনৰ স্বাস্থ্য-পাতি দুৰ্বল। আনহাতে মাক হানা আছিল অত্যন্ত খৰচী। হানা আইছকাফৰ লগত আইজাক নিউটনৰ বিয়া হৈছিল ১৬৪২ চনৰ এপ্ৰিল মাহত। কিন্তু বিয়াৰ দুমাহ পিছতে সেই বছৰৰ অক্টোবৰ মাহৰ মাজভাগত দেউতাকৰ মৃত্যু হয়।

নিউটনৰ জন্মৰ মাথোঁ দুবছৰ পিছতে মাকে ধনী মানুহ বাৰ্ণাবাছ স্মিথৰ লগত বিয়া হ'ল আৰু শিশু নিউটনক আইতাকৰ লগতে এৰি থৈ গ'ল। অৱশ্যে স্মিথৰ মৃত্যুৰ পিছত প্ৰায় ন বছৰৰ অন্তত নিউটনৰ মাকৰ লগত যোগাযোগ হ'ল। পিছৰ জীৱনত নিউটন খং-ৰাগ খিংখিঙিয়া স্বভাৱৰ হৈ পৰিল। তেওঁৰ গৱেষণাৰ বস্তু আনে চুৰি কৰি নিব বুলি অহেতুক ভয়, তেওঁৰ নিৰাপত্তাহীনতাৰ আশংকা আদি অনেক কথা তেওঁৰ ল'ৰাকালৰ এই মানসিক পীড়াদায়ক অৱস্থাটোৰ বাবেই হ'ব পাৰে।

সৰুকালৰ পৰাই নিউটনৰ পঢ়া-শুনাৰ প্ৰতি আগ্ৰহ আছিল। কিন্তু দ্বিতীয় স্বামীৰ মৃত্যুৰ পিছত মাক পুনৰ নিউটনৰ ওচৰলৈ ঘূৰি আহিল আৰু তেওঁ ভাবিলে যে নিউটনে এতিয়া গাঁৱৰ সা-সম্পত্তি চোৱা-চিতা কৰক। কিন্তু এই কামটো নিউটন আৰু সম্পত্তি কাৰো বাবেই যে মঙ্গলজনক নহ'ব এই কথা অতি কম দিনতে ওলাই পৰিল। গাঁৱৰ সা-সম্পত্তিৰ কথাত নিউটনে মনোযোগ দিব নোৱাৰিলে। আনকি তেওঁ গৰু চৰাবলৈ গ'লেও গছৰ তলত বহি কিতাপ পঢ়াত মনোযোগ দিয়ে। ফলস্বৰূপে গৰুৱে গৈ কাৰ খেতিত সোমায় তাৰ ঠিকনা নোহোৱা হ'ল। এইবিলাক দেখি-শুনি নিউটনক তেওঁ আগতে পঢ়া গ্ৰাছামৰ গ্ৰাহাম স্কুলত নাম লগাই দিয়া হ'ল। তাতে পঢ়াকালত নিউটনে ঘড়ী, উইণ্ড মিল আদি নানা ধৰণৰ যন্ত্ৰপাতি সাজি নিজৰ কুশলতাৰ পৰিচয় দিয়ে। তেওঁ লেটিনত বৰ ভাল ফল দেখুৱাইছিল যদিও গণিতত কোনো মতেহে পাছ কৰিছিল । সেই সময়ত তেওঁ মাকৰ এগৰাকী বান্ধৱীৰ ঘৰত বাস কৰিছিল আৰু তেওঁৰ জীয়েক মিছ উৰিৰ লগত খেলা-ধূলা কৰিছিল।

ইংৰাজী ১৬৬১ চনত কেম্ব্ৰিজৰ ট্ৰিনিটি কলেজত নিউটন ভৰ্ত্তি হয়। সেই সময়ত বিজ্ঞান জগতত এক নতুন আন্দোলনৰ জোৱাৰ উঠিল আৰু অতি সোনকালে ই চাৰিওফালে বিয়পি পৰিল। ইতিমধ্যে কপাৰনিকাছ আৰু কেপলাৰে সৌৰ কেন্দ্ৰিক ব্ৰহ্মাণ্ডৰ তত্ত্ব ঘোষণা কৰিছে, গেলিলিউৱে জড়তাৰ নীতিৰ ভিত্তিত বলবিদ্যাৰ মূল কথাবোৰ উদ্ভাৱন কৰিছে। কিন্তু আচৰিত কথা এই যে কেম্ব্ৰিজে এইবোৰ একো ভূ-নাৰাখি এৰিষ্ট'টলৰ জড়কে সৰোগত কৰি আছে। নিউটনেও নিজৰ শ্ৰেণীত এৰিষ্ট'টলৰ ভূ-কেন্দ্ৰিক তত্ত্বকে পঢ়িবলৈ বাধ্য হ'ল যদিও তেওঁৰ টোকাবহীত নিজৰ নানা সন্দেহ আৰু প্ৰশ্ন টোকা কৰি যাবলৈ ধৰিলে। যেনে—

"প্লেটো মোৰ বন্ধু
এৰিষ্ট'টলো মোৰ বন্ধু
কিন্তু মোৰ আটাইতকৈ ডাঙৰ বন্ধু হ'ল সত্য।"

নিজৰ টোকাবহীৰ পঢ়া-শুনাৰ টোকা লিখিবলগীয়া পাতকেইটাত পঢ়া-শুনাৰ লগত পোনপটীয়াকৈ জড়িত কথা নিলিখি তেওঁৰ মনত উদয় হোৱা কেতবোৰ দাৰ্শনিক প্ৰশ্নহে টুকি গৈছিল।

কেম্ব্ৰিজৰ ট্ৰিনিটি কলেজৰ ছাত্ৰ আইজাক নিউটন। এই নিউটনেই

পৃথিৱীৰ বিখ্যাত পদাৰ্থবিজ্ঞানী আৰু গণিত বিজ্ঞানী ছাৰ আইজাক নিউটন হৈ পৰিছিল। আলোকবিজ্ঞানত তেওঁ উদ্ভাৱন কৰা বগা পোহৰৰ গঠন তত্ত্বই বগা পোহৰ যে আচলতে ৰামধেনুৰ সাতোটা ৰঙৰ সমষ্টি, সেই কথা প্ৰমাণ কৰিছিল। এই তত্ত্বই ৰঙৰ পৰিঘটনাটোক পোহৰ বিজ্ঞানৰ লগত একত্ৰিত কৰিছিল। আইজাক নিউটনৰ অৱদানৰ ফলতে আধুনিক ভৌতিক আলোকবিজ্ঞান শাখাটো গঢ়ি উঠিছিল। বল বিদ্যাৰ তেওঁৰ গতি বিষয়ক সূত্ৰ তিনিটাই বিশ্বজনীন মহাকৰ্ষণৰ উদ্ভাৱনৰ বাট মুকলি কৰিছিল। ইংৰাজী ১৬৮৭ চনত প্ৰকাশ পোৱা তেওঁৰ 'প্ৰিন্সিপিয়া'ত প্ৰকাশ পোৱা প্ৰাকৃতিক দৰ্শনৰ গাণিতিক নীতি হ'ল আধুনিক বিজ্ঞানৰ ইতিহাসৰ এক শ্ৰেষ্ঠ অৱদান ।

এইখিনি সময়তে নিউটনে ডেকাৰ্টৰ উদ্ভাৱনৰ পৰা আৰম্ভ কৰি শেষত গণিতৰ দ্বিপদ প্ৰমেয় উদ্ভাৱন কৰিলে। ইংৰাজী ১৬৬৯ চনত নিউটনে এই উদ্ভাৱনসমূহ পাণ্ডুলিপি আকাৰে বিজ্ঞানী, গণিতজ্ঞসকলৰ মাজত বিতৰণ কৰিলে। ফলত নিউটনৰ নাম কেউপিনে বিয়পি যাবলৈ ধৰিলে।

ইংৰাজী ১৬৬৫ চনত প্লেগ মহামাৰী আৰম্ভ হোৱাত বিশ্ববিদ্যালয় বন্ধ হৈ পৰে আৰু তেওঁ গাঁৱৰ ঘৰলৈ উভতি আহে। অৱশ্যে নিউটনে ইংৰাজী ১৬৬৫ চনত বিশ্ববিদ্যালয়ৰ পৰা সুখ্যাতিৰে স্নাতক ডিগ্ৰী লাভ কৰিছিল।

নিউটনে গাঁৱৰ ঘৰত প্ৰায় দুবছৰ কাল ধৰি কাম-বন নোহোৱাকৈ কটাবলগীয়া হৈছিল। এই সময়ছোৱাত তেওঁ বিজ্ঞানচৰ্চাৰ বাবে অপূৰ্ব সুযোগ লাভ কৰে। এই সময়খিনিতে তেওঁ কলন গণিতৰ ভেঁটি স্থাপন কৰিলে, ৰঙৰ বিষয়ে নিজৰ আগৰ মত প্ৰতিষ্ঠিত কৰিলে আৰু নিজৰ বৃত্তীয় গতিৰ বিশ্লেষণ চন্দ্ৰ আৰু গ্ৰহবোৰৰ ক্ষেত্ৰত প্ৰয়োগ কৰি ব্যস্ত বৰ্গ সূত্ৰত উদ্ভাৱন কৰিলে। পিছত নিউটনে এই সূত্ৰৰ ওপৰত ভিত্তি কৰি মহাকৰ্ষণৰ বিশ্বজনীন সূত্ৰৰ আৱিষ্কাৰ কৰে। কিন্তু নিউটনে কোনো প্ৰচাৰ বিচৰা নাছিল বাবেই তেতিয়াই তেওঁৰ এইবোৰ উদ্ভাৱনৰ বিষয়ে কোনেও জানিব পৰা নাছিল।

ইংৰাজী ১৬৬৭ চনত নিউটনে ট্ৰিনিটি কলেজৰ সদস্য হিচাপে নিযুক্তি পায়। ইংৰাজী ১৬৭২ চনত নিউটনে তেওঁৰ পোহৰ আৰু ৰঙৰ বিষয়ে ধ্যান-ধাৰণাবোৰ ৰয়েল ছছাইটিক লিখিতভাৱে জনায়। নিউটনে ইতিমধ্যে এটা প্ৰতিফলক দূৰবীন সাজি উলিয়াইছিল। এই সময়ছোৱাতে নিউটনে জীৱনৰ এটা ডাঙৰ সিদ্ধান্ত কৰিলে। জীৱনত বিয়া-বাৰু কৰাই সংসাৰী হ'বলৈ তেওঁৰ ইচ্ছা আছিল যদিও বিয়া কৰাই সংসাৰৰ বান্ধোনত আবদ্ধ হ'লে তেওঁ ট্ৰিনিটি কলেজৰ অধ্যাপক হ'ব নোৱাৰিব আৰু বিজ্ঞানৰ সাধনাত ব্যাঘাট জন্মিব, সেইবাবে তেওঁ চিৰকুমাৰ ব্ৰত ল'বলৈ সিদ্ধান্ত কৰিলে। পিচত বিশ বছৰৰ অধ্যাপনাৰ কালত নিউটনে এজন নিষ্ঠাৱান অধ্যাপকৰ দৰে মাথোঁ অধ্যয়ন-অধ্যাপনা আৰু গৱেষণাকে কৰি গৈছিল।

নিউটনে পদাৰ্থবিজ্ঞান আৰু গণিতৰ বাহিৰেও ৰসায়ণতো গৱেষণা কৰিছিল। তেওঁ ধাৰ্মিক আছিল। ধৰ্মৰ অধ্যয়নতো তেওঁ মনোনিবেশ কৰিছিল।

ইংৰাজী ১৬৮৬ চনত নিউটনে বিজ্ঞানৰ ইতিহাসৰ অতি মূল্যবান গ্ৰন্থ "প্ৰিন্সিপিয়া" লিখি উলিয়ালে আৰু নিজৰ গাঁঠিৰ ধন ভাঙি প্ৰকাশ কৰি উলিয়ালে এডমাণ্ড হেলিয়ে। লেটিন ভাষাত লিখা আৰু পৰম্পৰাগত জ্যামিতিৰ সহয়ক প্ৰমাণবোৰ দাঙি ধৰা এই গ্ৰন্থ ইয়াৰ দাৰ্শনিক, গাণিতিক আৰু বৈজ্ঞানিক সিদ্ধান্ত সমূহৰ ক্ষেত্ৰত অতি প্ৰাঞ্জল।

প্ৰিন্সিপিয়া আচলতে তিনিখন গ্ৰন্থৰ সন্নিৱিষ্ট ৰূপ। ইয়াৰে প্ৰথমখন গ্ৰন্থত নিউটনৰ গতি বিষয়ক তিনিটা সূত্ৰ বৰ্ণনা কৰা হৈছে। দ্বিতীয়খন গ্ৰন্থত গেছৰ ধৰ্ম আলোচনা কৰা হৈছে। তাত গেছ কিছুমান স্থিতিস্থাপক কণাৰে গঠিত হৈছে বুলি ধৰি লৈ বয়লৰ সূত্ৰৰ প্ৰমাণ দিয়া হৈছে। গেছৰ বিশ্লেষণেৰে তেওঁ ইয়াত শব্দ তৰঙ্গৰ বেগ নিৰ্ণয়ৰ দিশতো আগবাঢ়িছে। তৃতীয়খন গ্ৰন্থত আছে মধ্যাকৰ্ষণৰ ফলত কেনেদৰে পৃথিৱীত বস্তু মাটিত পৰে, চন্দ্ৰ আৰু গ্ৰহবোৰ নিজ কক্ষপথত ঘূৰে আৰু জোৱাৰ ভাটা হয় তাৰ বৰ্ণনা দিয়া আছে।

১৭০১ চনত নিউটনে ইংলেণ্ডৰ টাক্‌শালিৰ প্ৰশাসকৰ পদত নিযুক্তি পায় কিন্তু তেওঁ সেই পদত কিছুদিন কাম কৰি সেই পদৰ পৰা ইস্তাফা দিয়ে। ১৭০৩ চনত তেওঁ ৰয়েল ছছাইটিৰ সভাপতি নিৰ্বাচিত হয়। জীৱনৰ বাকী কালছোৱা তেওঁ এই পদবীত কাৰ্যনিৰ্বাহ কৰে।

১৭০৫ চনত তেওঁক ৰাণী এনে 'নাইট' (ছাৰ) উপাধি প্ৰদান কৰে। তেতিয়াৰ পৰা তেওঁ ছাৰ আইজাক নিউটনৰূপে জনাজাত হয়।

টাক্‌শালৰ প্ৰশাসক হিচাপে নিউটনে বছৰি ২০০০ পাউণ্ড দৰমাহা পাইছিল। সেই সময়ত সি অতি বেছি আছিল। তাৰোপৰি তেওঁৰ আছিল বিপুল পৈত্ৰিক সম্পত্তি। টাক্‌শালৰ তেওঁৰ পদবীটো আছিল আচলতে উচ্চ পৰ্যায়ৰ বহি খোৱা চাকৰি। কিন্তু নিউটনে সেই চাকৰিত থাকোতে মুদ্ৰাৰ বিস্তাৰ সংস্কাৰ কৰিছিল। তদুপৰি মুদ্ৰা জাল কৰা দুৰ্বৃত্তক ধৰি তাতে বহুতকে ফাঁচী পৰ্যন্ত দিয়াইছিল। হয়তো তেওঁৰ মনত সৰুৰে পৰাই সদায় চলি থকা ক্ষোভৰেই আছিল এক সামাজিক ভাৱে গ্ৰহণযোগ্য প্ৰতিশোধ।

জীৱনৰ শেষ কালছোৱাত তেওঁ 'অপ্তিকছ'ৰ প্ৰথম সংস্কৰণ (১৭০৪) আৰু প্ৰিন্সিপিয়াৰ দুটা সংস্কৰণ (১৭১৩, ১৭২৬) প্ৰকাশ কৰে। ১৭২৭ চনৰ ২০ মাৰ্চ তাৰিখে বিজ্ঞানী চাৰ আইজাক নিউটনৰ মৃত্যু হয়।♥

পৃথিৱীৰ বিখ্যাত পদাৰ্থবিজ্ঞানী আৰু গণিত বিজ্ঞানী ছাৰ আইজাক নিউটন হৈ পৰিছিল। আলোকবিজ্ঞানত তেওঁ উদ্ভাৱন কৰা বগা পোহৰৰ গঠন তত্ত্বই বগা পোহৰ যে আচলতে ৰামধেনুৰ সাতোটা ৰঙৰ সমষ্টি, সেই কথা প্ৰমাণ কৰিছিল। এই তত্ত্বই ৰঙৰ পৰিঘটনাটোক পোহৰ বিজ্ঞানৰ লগত একত্ৰিত কৰিছিল। আইজাক নিউটনৰ অৱদানৰ ফলতে আধুনিক ভৌতিক আলোকবিজ্ঞান শাখাটো গঢ়ি উঠিছিল। বল বিদ্যাৰ তেওঁৰ গতি বিষয়ক সূত্ৰ তিনিটাই বিশ্বজনীন মহাকৰ্ষণৰ উদ্ভাৱনৰ বাট মুকলি কৰিছিল। ইংৰাজী ১৬৮৭ চনত প্ৰকাশ পোৱা তেওঁৰ 'প্ৰিন্সিপিয়া'ত প্ৰকাশ পোৱা প্ৰাকৃতিক দৰ্শনৰ গাণিতিক নীতি হ'ল আধুনিক বিজ্ঞানৰ ইতিহাসৰ এক শ্ৰেষ্ঠ অৱদান ।

এইখিনি সময়তে নিউটনে ডেকাৰ্টৰ উদ্ভাৱনৰ পৰা আৰম্ভ কৰি শেষত গণিতৰ দ্বিপদ প্ৰমেয় উদ্ভাৱন কৰিলে। ইংৰাজী ১৬৬৯ চনত নিউটনে এই উদ্ভাৱনসমূহ পাণ্ডুলিপি আকাৰে বিজ্ঞানী, গণিতজ্ঞসকলৰ মাজত বিতৰণ কৰিলে। ফলত নিউটনৰ নাম কেউপিনে বিয়পি যাবলৈ ধৰিলে।

ইংৰাজী ১৬৬৫ চনত প্লেগ মহামাৰী আৰম্ভ হোৱাত বিশ্ববিদ্যালয় বন্ধ হৈ পৰে আৰু তেওঁ গাঁৱৰ ঘৰলৈ উভতি আহে। অৱশ্যে নিউটনে ইংৰাজী ১৬৬৫ চনত বিশ্ববিদ্যালয়ৰ পৰা সুখ্যাতিৰে স্নাতক ডিগ্ৰী লাভ কৰিছিল।

নিউটনে গাঁৱৰ ঘৰত প্ৰায় দুবছৰ কাল ধৰি কাম-বন নোহোৱাকৈ কটাবলগীয়া হৈছিল। এই সময়ছোৱাত তেওঁ বিজ্ঞানচৰ্চাৰ বাবে অপূৰ্ব সুযোগ লাভ কৰে। এই সময়খিনিতে তেওঁ কলন গণিতৰ ভেঁটি স্থাপন কৰিলে, ৰঙৰ বিষয়ে নিজৰ আগৰ মত প্ৰতিষ্ঠিত কৰিলে আৰু নিজৰ বৃত্তীয় গতিৰ বিশ্লেষণ চন্দ্ৰ আৰু গ্ৰহবোৰৰ ক্ষেত্ৰত প্ৰয়োগ কৰি ব্যস্ত বৰ্গ সূত্ৰত উদ্ভাৱন কৰিলে। পিছত নিউটনে এই সূত্ৰৰ ওপৰত ভিত্তি কৰি মহাকৰ্ষণৰ বিশ্বজনীন সূত্ৰৰ আৱিষ্কাৰ কৰে। কিন্তু নিউটনে কোনো প্ৰচাৰ বিচৰা নাছিল বাবেই তেতিয়াই তেওঁৰ এইবোৰ উদ্ভাৱনৰ বিষয়ে কোনেও জানিব পৰা নাছিল।

ইংৰাজী ১৬৬৭ চনত নিউটনে ট্ৰিনিটি কলেজৰ সদস্য হিচাপে নিযুক্তি পায়। ইংৰাজী ১৬৭২ চনত নিউটনে তেওঁৰ পোহৰ আৰু ৰঙৰ বিষয়ে ধ্যান-ধাৰণাবোৰ ৰয়েল ছ্ছাইটিক লিখিতভাৱে জনায়। নিউটনে ইতিমধ্যে এটা প্ৰতিফলক দূৰবীন সাজি উলিয়াইছিল। এই সময়ছোৱাতে নিউটনে জীৱনৰ এটা ডাঙৰ সিদ্ধান্ত কৰিলে। জীৱনত বিয়া-বাৰু কৰাই সংসাৰী হ'বলৈ তেওঁৰ ইচ্ছা আছিল যদিও বিয়া কৰাই সংসাৰৰ বান্ধোনত আবদ্ধ হ'লে তেওঁ ট্ৰিনিটি কলেজৰ অধ্যাপক হ'ব নোৱাৰিব আৰু বিজ্ঞানৰ সাধনাত ব্যাঘাট জন্মিব, সেইবাবে তেওঁ চিৰকুমাৰ ব্ৰত ল'বলৈ সিদ্ধান্ত কৰিলে। পিচত বিশ বছৰৰ অধ্যাপনাৰ কালত নিউটনে এজন নিষ্ঠাৱান অধ্যাপকৰ দৰে মাথোঁ অধ্যয়ন-অধ্যাপনা আৰু গৱেষণাকে কৰি গৈছিল।

নিউটনে পদাৰ্থবিজ্ঞান আৰু গণিতৰ বাহিৰেও ৰসায়ণতো গৱেষণা কৰিছিল। তেওঁ ধাৰ্মিক আছিল। ধৰ্মৰ অধ্যয়নতো তেওঁ মনোনিবেশ কৰিছিল।

ইংৰাজী ১৬৮৬ চনত নিউটনে বিজ্ঞানৰ ইতিহাসৰ অতি মূল্যবান গ্ৰন্থ "প্ৰিন্সিপিয়া" লিখি উলিয়ালে আৰু নিজৰ গাঁঠিৰ ধন ভাঙি প্ৰকাশ কৰি উলিয়ালে এডমাণ্ড হেলিয়ে। লেটিন ভাষাত লিখা আৰু পৰম্পৰাগত জ্যামিতিৰ সহয়ক প্ৰমাণবোৰ দাঙি ধৰা এই গ্ৰন্থ ইয়াৰ দাৰ্শনিক, গাণিতিক আৰু বৈজ্ঞানিক সিদ্ধান্ত সমূহৰ ক্ষেত্ৰত অতি প্ৰাঞ্জল।

প্ৰিন্সিপিয়া আচলতে তিনিখন গ্ৰন্থৰ সন্নিৱিষ্ট ৰূপ। ইয়াৰে প্ৰথমখন গ্ৰন্থত নিউটনৰ গতি বিষয়ক তিনিটা সূত্ৰ বৰ্ণনা কৰা হৈছে। দ্বিতীয়খন গ্ৰন্থত গেছৰ ধৰ্ম আলোচনা কৰা হৈছে। তাত গেছ কিছুমান স্থিতিস্থাপক কণাৰে গঠিত হৈছে বুলি ধৰি লৈ বয়লৰ সূত্ৰৰ প্ৰমাণ দিয়া হৈছে। গেছৰ বিশ্লেষণেৰে তেওঁ ইয়াত শব্দ তৰঙ্গৰ বেগ নিৰ্ণয়ৰ দিশতো আগবাঢ়িছে। তৃতীয়খন গ্ৰন্থত আছে মধ্যাকৰ্ষণৰ ফলত কেনেদৰে পৃথিৱীত বস্তু মাটিত পৰে, চন্দ্ৰ আৰু গ্ৰহবোৰ নিজ কক্ষপথত ঘূৰে আৰু জোৱাৰ ভাটা হয় তাৰ বৰ্ণনা দিয়া আছে।

১৭০১ চনত নিউটনে ইংলেণ্ডৰ টাক্‌শালিৰ প্ৰশাসকৰ পদত নিযুক্তি পায় কিন্তু তেওঁ সেই পদত কিছুদিন কাম কৰি সেই পদৰ পৰা ইস্তাফা দিয়ে। ১৭০৩ চনত তেওঁ ৰয়েল ছ্ছাইটিৰ সভাপতি নিৰ্বাচিত হয়। জীৱনৰ বাকী কালছোৱা তেওঁ এই পদবীত কাৰ্যনিৰ্বাহ কৰে।

১৭০৫ চনত তেওঁক ৰাণী এনে 'নাইট' (ছাৰ) উপাধি প্ৰদান কৰে। তেতিয়াৰ পৰা তেওঁ ছাৰ আইজাক নিউটনৰূপে জনাজাত হয়।

টাক্‌শালৰ প্ৰশাসক হিচাপে নিউটনে বছৰি ২০০০ পাউণ্ড দৰমাহা পাইছিল। সেই সময়ত সি অতি বেছি আছিল। তাৰোপৰি তেওঁৰ আছিল বিপুল পৈত্ৰিক সম্পত্তি। টাক্‌শালৰ তেওঁৰ পদবীটো আছিল আচলতে উচ্চ পৰ্যায়ৰ বহি খোৱা চাকৰি। কিন্তু নিউটনে সেই চাকৰিত থাকোতে মুদ্ৰাৰ বিস্তাৰ সংস্কাৰ কৰিছিল। তদুপৰি মুদ্ৰা জাল কৰা দুৰ্বৃত্তক ধৰি তাতে বহুতকে ফাঁচী পৰ্যন্ত দিয়াইছিল। হয়তো তেওঁৰ মনত সকলে পৰাই সদায় চলি থকা ক্ষোভৰেই আছিল এক সামাজিক ভাৱে গ্ৰহণযোগ্য প্ৰতিশোধ।

জীৱনৰ শেষ কালছোৱাত তেওঁ 'অপ্তিকছ'ৰ প্ৰথম সংস্কৰণ (১৭০৪) আৰু প্ৰিন্সিপিয়াৰ দুটা সংস্কৰণ (১৭১৩, ১৭২৬) প্ৰকাশ কৰে। ১৭২৭ চনৰ ২০ মাৰ্চ তাৰিখে বিজ্ঞানী চাৰ আইজাক নিউটনৰ মৃত্যু হয়।♥